**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-05-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ এটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলৰ নেতাসকলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। পঞ্চম পৰ্যায়ত অহা ২০ মে'ত ৪৯টা সমষ্টিৰ বাবে ভোটগ্ৰহণ হোৱাৰ বিপৰীতে ষষ্ঠ পৰ্যায়ত ২৫ মে'ত আৰু সপ্তম পৰ্যায়ত অহা ১ জুনত ৫৭ টাকৈ সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি একেৰাহে দ্বিতীয় দিনৰ বাবে উত্তৰ প্ৰদেশত প্ৰচাৰ অভিযানত ভাগ লৈছে। শ্ৰীমোদীয়ে আজি বাৰাবাংকী, ফতেহপুৰ আৰু হামিৰপুৰত ৩ খন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ফতেহপুৰৰ নিৰ্বাচনী সভাত শ্ৰী মোদীয়ে কয় যে পূৰ্বতে অন্যান্য চৰকাৰৰ শাসনকালত উত্তৰ প্ৰদেশ অপৰাধ আৰু দুৰ্নীতিৰ বাবে কুখ্যাত আছিল যদিও বৰ্তমানে ৰাজ্যখন প্ৰগতিৰ দিশত অগ্ৰসৰ হৈছে।

বিজেপিৰ নেতাগৰাকীয়ে আজি সন্ধিয়া মহাৰাষ্ট্ৰৰ দক্ষিণ মধ্য মুম্বাই সংসদীয় সমষ্টিতো নিৰ্বাচনী সমাবেশত অংশ ল'ব। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ প্ৰদেশ আৰু ওড়িশাত নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীশ্বাহে ঝাৰখণ্ডৰ ৰাঁচী লোকসভা সমষ্টিতো ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। একেদৰে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা যোগী আদিত্য নাথে বলৰামপুৰ, বাৰাবাংকী, লক্ষ্ণৌ আৰু অযোধ্যাত দলৰ হকে প্ৰচাৰ চলায়। অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাই আজি ওড়িশাৰ বলানগীৰত নিৰ্বাচনী প্ৰচাৰ চলায়।

ইফালে, কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই সমাজবাদী পাৰ্টীৰ সভাপতি অখিলেশ যাদৱৰ সৈতে ৰায়বৰেলী আৰু আমেথিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই মুম্বাইত আজি আই এন ডি আই মিত্ৰজোঁটৰ এখন জনসভাত ভাগ ল'ব। কালি ভুৱনেশ্বৰত এখন সংবাদমেল সম্বোধন কৰি শ্ৰীখাৰ্গেই বি জে ডি চৰকাৰে ৰাজ্যখনৰ যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ সুযোগ প্ৰদান কৰাত ব্যৰ্থ হোৱা বুলি অভিযোগ তোলে।

oooooooo

গুৱাহাটীত আজি আয়োজিত এটা অনুষ্ঠানত ৰাজ্যৰ বিশিষ্ট চিন্তাবিদ ড° হীৰেণ গোহাঁইক পৰাগ কুমাৰ দাস সোঁৱৰণি সাংবাদিকতা বঁটা প্ৰদান কৰা হয়। পৰাগ কুমাৰ দাসৰ মৃত্যু বাৰ্ষিকী উপলক্ষে গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত এখন সভাত ড° গোহাঁইক এই বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত প্ৰবীণ অভিনেতা কুলদা কুমাৰ ভট্টাচাৰ্য, গল্পকাৰ অপূৰ্ব কুমাৰ শৰ্মাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত মনোৰম গগৈয়ে পৰাগ কুমাৰ দাসৰ জীৱন সন্দৰ্ভত আলোকপাত কৰে।

oooooooo

অসম গণ পৰিষদৰ প্ৰাক্তন সভাপতি, বৰ্ষীয়ান ৰাজনীতিক, প্ৰাক্তন শিক্ষা মন্ত্ৰী তথা ৰঙিয়া সমষ্টিৰ তিনিবাৰৰ বিধায়ক থানেশ্বৰ বড়োৰ আজি পুৱা চিকিৎসাধীন অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ। যোৱা ১৩ মে'ত সংকটজনক অৱস্থাত ৰঙিয়াৰ এখন ব্যক্তিগত চিকিৎসালয়ৰ পৰা তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ স্থানান্তৰ কৰা হৈছিল। বৰ্ষীয়ান ৰাজনীতিকগৰাকীৰ মৃত্যুত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, অগপৰ সভাপতি তথা কৃষিমন্ত্ৰী অতুল বৰা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুকে ধৰি বহুকেইজন ৰাজনৈতিক নেতা আৰু দল-সংগঠনে শোকপ্ৰকাশ

কৰিছে। ইপিনে, গুৱাহাটীৰ আমবাৰীত থকা অগপৰ কাৰ্যালয়ত থানেশ্বৰ বড়োৰ নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অসম বিধানসভাৰ অধ্যক্ষৰ চৰকাৰী আবাসতো থানেশ্বৰ বড়োৰ নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

০০০০০০০০

স্থলসেনা বাহিনীৰ ১৩৪ সংখ্যক পদাতিক বেটেলিয়নে বাহিনীটোৰ মহাৰজত জয়ন্তী উপলক্ষে ব্যাপকভাৱে গছপুলি ৰোপণ কাৰ্যসূচীৰ আয়োজন কৰে। উল্লেখযোগ্য যে ১৯৪৯ চনৰ প্ৰতিষ্ঠা কালৰে পৰা স্থলসেনা বাহিনীয়ে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ অভিযানকালত বিভিন্ন প্ৰকাৰে সাহায্য আগবঢ়াই আহিছে। তদুপৰি বাহিনীটোৱে বিভিন্ন আঞ্চলিক জৰুৰী অৱস্থা তথা প্ৰাকৃতিক দুৰ্যোগৰ সময়তো অসামৰিক লোকসকলৰ প্ৰতি সাহায্য আগবঢ়াই আহিছে। ১৩৪ সংখ্যক পদাতিক বেটেলিয়ন তথা ETF হিচাপে জনাজাত বাহিনীটোৱে মহাৰজত জয়ন্তী উদ্‌যাপনৰ সৈতে সংগতি ৰাখি আজি ৰাষ্ট্ৰীয় বিলুপ্তপ্ৰায় প্ৰজাতি দিৱসৰ দিনা গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে সজাগতামূলক কাৰ্যসূচীও হাতত লয়। শোণিতপুৰ জিলাৰ গামানি, চাটাই আৰু গাৰো বস্তিগাওঁত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে শোণিতপুৰ জিলাত হোৱা বনাঞ্চল ধ্বংসৰ মুখামুখী হোৱাৰ লগতে অঞ্চলটোৰ পৰিবেশ তন্ত্ৰৰ ভাৰসাম্য বজাই ৰখাৰ উদ্দেশ্যে এই গোটটো প্ৰতিষ্ঠা কৰা হৈছিল। আজিৰ অনুষ্ঠানত স্থানীয় গাওঁ তথা বিদ্যালয়সমূহত কেইবাহাজাৰ গছপুলি ৰোপণ কৰা হয়।

০০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তত আজি বিশ্ব উচ্চ ৰক্তচাপ দিৱস পালন কৰা হয়। উচ্চ ৰক্তচাপ প্ৰতিৰোধ, নিয়ন্ত্ৰণ তথা এই সন্দৰ্ভত সজাগতা গঢ়ি তোলাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত আজি এই দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই অংশগ্ৰহণ কৰে। চিকিৎসালয়ত সমবেত লোকসকলক উচ্চ ৰক্তচাপ সন্দৰ্ভত সজাগ কৰিবলৈ প্ৰয়াস চলোৱা হয়।

০০০০০০০০

**সমাপ্ত**